# বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

## দুলীয়াজান মহাবিদ্যালয় ছাত্ৰ-একতা সভা, ২০২৪-২৫ বৰ্ষ



## সভাপতি

দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ, যিসকল ব্যক্তিৰ ত্যাগৰ ফলত দুলীয়াজান মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে। লগতে প্ৰতিষ্ঠাৰে পৰা বৰ্তমান সময়লৈকে বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত দুলীয়াজান মহাবিদ্যালয়খনৰ উত্তৰণৰ ক্ষেত্ৰত জড়িত হৈ থকা প্ৰত্যেকজন শিক্ষাগুৰু আৰু মহান ব্যক্তিলৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

দুলীয়াজান মহাবিদ্যালয় যি অনেক ছাত্ৰ ছাত্ৰীৰ জীৱনৰ এক নতুন অধ্যায়। যি অধ্যায়ত সপোন সাৰ্থক কৰিবৰ বাবে দুলীয়াজান আৰু তাৰ আশে-পাশে থকা বিভিন্ন অঞ্চলৰ পৰা হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰী আগবাঢ়ি আহে আৰু সেই হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ ভিতৰতে এজন ময়ো আছিলোঁ। দুলীয়াজান মহাবিদ্যালয়ত মই একাদ্বশ শ্ৰেণী পৰা শিক্ষা গ্ৰহণ কৰিছোঁ অৰ্থাৎ মই ২০২০ চনৰ পৰাই মহাবিদ্যালয়খনৰ এজন সদস্য আছিলোঁ। মহাবিদ্যালয়খনত অধ্যয়ন কৰি থকা অৱস্থাত বিভিন্ন ক্ষেত্ৰত বিভিন্ন সমস্যা সন্মুখীন হৈছিলোঁ। এই সমস্যাসমূহ সমাধান কৰাৰ লগতে মহাবিদ্যালয়খনত শিক্ষা গ্ৰহণ কৰাৰ উপৰিও মানৱ সেৱা আগবঢ়োৱাৰ হেতুকে ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সভপতি পদত নিজৰ প্ৰাৰ্থিত্ব আগ বঢ়াইছিলোঁ। এই নিৰ্বাচনত দুলীয়ানৰ সহায়-সহযোগত আৰু সু দিহা-পৰামৰ্শত সভাপতিৰ দৰে গধুৰ দায়িত্ব থকা পদত জয়ী হ'বলৈ সক্ষম হ'লোঁ। এই চেগতে সমূহ দুলীয়ানলৈ মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমি ১৯/১১/১০২৪ তাৰিখে দায়িত্ব গ্ৰহণ কৰিছিলোঁ। দায়িত্ব গ্ৰহণ কৰা পাছতে আমি মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান বিভিন্ন সময়ত সম্পাদনা কৰিছিলোঁ। দায়িত্ব গ্ৰহণ কৰি আমি পোন প্ৰথমে যুৱ মহোৎসৱৰ বাবে বিভিন্ন কাৰ্যসূচীত আমি সংস্কৃতিক সম্পাদকক সহায় কৰিছিলোঁ। তাৰ পাছতে আমি দ্বিতীয়টো কাৰ্যসূচী হিচাপে ২৬ জানুৱাৰী তাৰিখে গণৰাজ্য দিৱস আয়োজন কৰিছিলোঁ। তাৰ পাছতে আমি ০৩/০২/২০২৫ তাৰিখে সৰস্বতী পূজাখনি আয়োজন কৰিছিলোঁ। তাৰ পিছতে আমি ০২/০২/২০২৫ পৰা ০৫/০২/২০২৫ লৈকে ৪৯ সংখ্যক বাৰ্ষিক প্ৰতিভা বিকাশ সপ্তাহ, ১৪/০৩/২০২৫ তাৰিখে ফাকুৱা উৎসৱ অৰ্থাৎ Holi আয়োজন কৰিলোঁ, ১১/০৪/২০২৫ তাৰিখে আমি ব'হাগী আদৰণী আয়োজন কৰিছিলোঁ, ২৮/০৪/২০২৫ তাৰিখে আমি স্নাতক ষষ্ঠ যান্মাসিকৰ বিদায় সভা অনুষ্ঠিত কৰিছিলোঁ। ইয়াৰ উপৰিও মহাবিদ্যালয়ত অনুষ্ঠিত কৰা বিভিন্ন অনুষ্ঠানত আমাৰ সামৰ্থ্য আৰু যোগ্যতা অনুযায়ী সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

সদৌ শেষত মই মহাবিদ্যালয়ৰ প্ৰতিজন সদস্যক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই মোৰ ছয়মহীয়া কাৰ্যকালত কিছুমান প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰি তুলিব নোৱাৰিলোঁ তাৰ বাবে মই সকলো দুলীয়ানৰ ওচৰত ক্ষমা বিচাৰিছোঁ। দুলীয়াজান মহাবিদ্যালয় উত্তৰণৰ কামনা কৰি ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদনখন সামৰণি মাৰিলোঁ।

**— নিৰঞ্জন গগৈ**



# উপ-সভাপতি

প্ৰতিবেদনৰ প্ৰাকমুহূৰ্তত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া, শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক শ্ৰদ্ধা আৰু মৰম নিবেদন কৰিছোঁ।

২০২৪-২৫ বৰ্ষটো মোৰ বাবে এক অতিকৈ গুৰুত্বপূৰ্ণ বছৰ। কিয়নো এই বছৰতে মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতিৰ দৰে এক মহান দায়িত্ব পোৱাৰ বাবে মই নিজকে সৌভাগ্যৱান অনুভৱ কৰিছোঁ আৰু লগতে আপোনালোক সকলোলৈকে অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত মই উপ-সভাপতিৰ দৰে গুৰুদায়িত্ব লৈ মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে বিভাগীয় দায়িত্বৰ উপৰিও ছাত্ৰ একতা সভাৰ সাংস্কৃতিক, ক্ৰীড়া, সাহিত্য আৰু তৰ্ক, উৎসৱ আদি সকলোকে ধৰি প্ৰতিগৰাকী বিষয়ববীয়াক বিভিন্ন ক্ষেত্ৰত দিহা-পৰামৰ্শ, সহায়- সহযোগিতা আগবঢ়াইছিলোঁ।

তদুপৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থা আৰু দুলীয়াজান মহাবিদ্যালয়ৰ সহযোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ সৃষ্টিত ১ আগষ্ট অৰ্থাৎ প্ৰতিষ্ঠা দিৱসৰ দিনাই গুৰুজনাৰ সৃষ্টিৰ ৭ দিনীয়া কৰ্মশালাৰ অন্তত মহাবিদ্যালয়ত ভাওনাখনি অনুষ্ঠিত কৰা হৈছিল। ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত এনে এক অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে মই নিজকে সৌভাগ্যৱান অনুভৱ কৰিছোঁ। মোৰ এই কাৰ্যকালত মই যিদৰে মহাবিদ্যালয়ৰ উন্নতি হকে কাম কৰি আহিছিলোঁ ঠিক সেইদৰে অনাগত দিনবোৰতো সত্য আৰু নিষ্ঠাৰে কাম কৰি যাম।

প্ৰতিবেদনৰ শেষত, পুনৰবাৰ সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ মোক উপ-সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগ আৰু সুবিধা দিয়াৰ বাবে।

**— পূজা ছেত্ৰী**



# সাধাৰণ সম্পাদক

সৰ্বপ্ৰথমে, ঐতিহ্যমণ্ডিত দুলীয়াজান মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নয়ন আৰু বিকাশৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত প্ৰতিজন ব্যক্তিলৈ মোৰ এই প্ৰতিবেদনৰদ্বাৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০২৪ চনৰ আগষ্ট মাহৰ ১ তাৰিখে আমি পোনপ্ৰথমবাৰৰ বাবে দুলীয়াজান মহাবিদ্যালয়লৈ আহিছিলোঁ। মহাবিদ্যালয়খনলৈ অহাৰ পৰৱৰ্তী সময়ছোৱাত পূৰ্বৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক লক্ষ্য কৰিছিলোঁ আৰু হৃদয়ৰ কোনোবাখিনিত আমাৰো ইচ্ছা জাগিছিল যে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া হৈ তেওঁলোকৰ দৰে মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে নিজৰ সেৱা আগবঢ়াম। আৰু ঠিক এইদৰে এদিন ভবাৰ দৰে গৰিষ্ঠসংখ্যক ভোট লাভ কৰি দুলীয়াজান মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত জয়যুক্ত হওঁ আৰু ২০২৪ চনৰ ১৮ নৱেম্বৰ তাৰিখে দায়িত্বভাৰ গ্ৰহণ কৰোঁ। এই আপাহতে, ২০২৪-২৫ বৰ্ষৰ দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আমাক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰাৰ বাবে প্ৰতিজন শুভাকাংশীলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। সাধাৰণ সম্পাদক হিচাপে শপত গ্ৰহণ কৰিয়েই মই মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতিৰ সকলো কাৰ্যত নিষ্ঠা সহকাৰে মনোনিৱেশ কৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ।

অসমীয়া জাতীয় জীৱনৰ অন্যতম উৎসৱ হৈছে ভোগালী বিহু। আমি দুলীয়াজান মহাবিদ্যালয়ৰ পৰিয়াল আৰু ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাই ন- উদ্যমেৰে ১১ জানুৱাৰী তাৰিখে দুলীয়াজান মহাবিদ্যালয়ত উলহ-মালহেৰে ভোগালী বিহু উদ্‌যাপন কৰো এক নতুন চিন্তাধাৰাৰে আমি আমাৰ কাৰ্যকালৰ প্ৰথমটো অনুষ্ঠান কিছু এনেধৰণে আৰম্ভ কৰিছিলোঁ।

১৮ জানুৱাৰী ২০২৪ তাৰিখে শ্বহীদ দিৱস পালন আৰু ইয়াৰ পাছতেই শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয় নামতিত অনুষ্ঠিত হোৱা 'ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱ ২০২৫'ত আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰায় ২৩ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে আৰু বিভিন্ন প্ৰতিযোগিতাত নিজস্ব পাৰদৰ্শিতাৰে সৰ্বমুঠ ১১টা পুৰস্কাৰ পাবলৈ সক্ষম হয়। এই বৃহৎ জয়লাভ যাত্ৰাৰ মূলতঃ সাংস্কৃতিক সম্পাদক আৰু সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক শ্ৰীযুত মৃণ্ময় কুমাৰ বৰুৱা ছাৰলৈ এই ছেগতে ধন্যবাদ জনাইছোঁ। যুৱ মহোৎসৱৰ পৰৱৰ্তী সময়ত ৩ ফ্ৰেব্ৰুৱাৰী তাৰিখে মহাবিদ্যালয়ত উৎসৱ সম্পাদিকাৰ গভীৰ কৰ্মদ্যোমৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহসৰ ফলত অতি ধুনীয়াকৈ আমি সৰস্বতী পূজা আয়োজন কৰিবলৈ সক্ষম হৈছিলোঁ।

সৰস্বতী পূজাৰ ঠিক পাছতেই ৬ ফ্ৰেব্ৰুৱাৰীৰ পৰা ১১ ফ্ৰেব্ৰুৱাৰীলৈকে আমি মহাবিদ্যালয় সপ্তাহ আয়োজন কৰিছিলোঁ।

ইয়াৰ পাছতেই মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক দিশটোৰ কথা চিন্তা কৰি অন্যান্য শিতানসমূহৰ বিষয়ে চিন্তা কৰি মাৰ্চ মাহত সাংস্কৃতিক সম্পাদকৰ তীব্ৰ সহযোগিতাত সৃষ্টিমূলক নৃত্যৰ লগতে কেক্ সজা পদ্ধতিৰ বিষয়ে ১০ দিনীয়া কৰ্মশালাৰ আয়োজন কৰা হৈছিল। ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আলোচনা মৰ্মে ন-চিন্তাৰে এপ্ৰিল মাহৰ ১০ তাৰিখে নীলা খামৰ চিঠি অনুষ্ঠানটি অনুষ্ঠিত কৰিবলৈ আমি সক্ষম হৈছিলোঁ।

দুলীয়াজান মহাবিদ্যালয়ৰ পূৰ্বৰ ছাত্ৰ একতা সভাসমূহৰ আদেশ অনুকৰণ কৰি দুলীয়াজান মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ১১ এপ্ৰিল তাৰিখে আটকধুনীয়াকৈ অসমৰ বাপতি সাহোন ৰঙালী বিহুটিক আদৰিবৰ বাবে 'ব'হাগী আদৰণি' নামেৰে এটা অনুষ্ঠান আয়োজন কৰিবলৈ সক্ষম হৈছিলোঁ। এই অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত আছিল চলচ্চিত্ৰ পৰিচালক ৰজত কমল বঁটা প্ৰাপক শ্ৰীযুত যদুমণি দত্ত দেৱ। এই ব'হাগী আদৰণি অনুষ্ঠানটিৰ সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ হিচাপে আমি আমন্ত্ৰণ কৰি আনিছিলোঁ লক্ষীচন্দ্ৰ দেৱক।

ইয়াৰ পাছতে ২৪ এপ্ৰিল, ২০২৪ তাৰিখে ২০২৪-২৫ বৰ্ষৰ স্নাতক মহলাৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদায় সভা আয়োজন কৰা হয়। সেই অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে সভাপতিত্ব কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি বিদায় সভাৰ অন্ত পেলায়। ৫ জুন, ২০২৬ তাৰিখে মহাবিদ্যালয়ৰ সন্মানীয় উপাধ্যক্ষা মহোদয়াৰ নেতৃত্বত বিশ্ব পৰিৱেশ দিৱস, ২০ জুন তাৰিখে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ মৃত্যুবাৰ্ষিকী আৰু ২১ জুন ২০২৪ তাৰিখে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সহযোগিতাত আমি আন্তঃৰাষ্ট্ৰীয় 'যোগ দিৱস' পালন কৰোঁ।

দুলীয়াজান মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ সময়ত সকলো ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি আমি কথা দিছিলোঁ যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক দিশটোৰ কথা চিন্তা কৰি গুৰুজনাৰ অমৰ সৃষ্টি ভাওনা এখনি অনুষ্ঠিত কৰাৰ কথা, সেই মৰ্মে আমি ১ জুলাইৰ পৰা ১০ জুলাইলৈকে দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থা উদ্যোগত আৰু দুলীয়াজান আঞ্চলিক ভাওনা সন্মিলন সমিতিৰ সহযোগত দহদিনীয়া এখনি ভাওনা কৰ্মশালা ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰোঁ। আৰু এমহীয়া আখৰাৰ অন্তত ১ আগষ্ট, ২০২৪ দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নিশালৈ 'হৰিশচন্দ্ৰ উপাখ্যান' নামৰ ভাওনাখনি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মঞ্চস্থ কৰাও।

ইয়াৰ পাছতে আমাৰ মহাবিদ্যালয়ৰ প্ৰত্যেকবাৰৰ দৰে এইবাৰো ১৫ আগষ্ট তাৰিখে ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰোঁ। পৰৱৰ্তী পৰ্যায়ত, ২৩ আগষ্ট ২০২৪ তাৰিখে মহাবিদ্যালয়ত কিছু ব্যতিক্ৰমী ৰূপত আমি নৱাগত আদৰণি সভাত মুখ্য অতিথি হিচাপে আমি আমন্ত্ৰণ কৰি আনিছিলোঁ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ মুখ্য পঞ্জীয়ক শ্ৰীযুত বৰঠাকুৰ দেৱ আৰু লগতে আমি বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ কৰি আনিছিলোঁ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীযুত ৰূপজ্যোতি বৰঠাকুৰ দেৱক। অনুষ্ঠানটিত সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ নিতুল দাধৰা দেৱক।

পৰৱৰ্তী পৰ্যায়ত ৮ ছেপ্টেম্বৰ তাৰিখে ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ জন্মজয়ন্তী উপলক্ষে 'গভীৰ আস্থাৰ' গান আৰু শেষত ২৫ অক্টোবৰ, ২০২৪ তাৰিখে দ্বাবিংশতিতম শ্বহীদ সোঁৱৰণি তৰ্ক প্ৰতিযোগিতাখনি দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আমি অনুষ্ঠিত কৰিবলৈ সক্ষম হওঁ।

প্ৰতিবেদনৰ শেষত মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, সমূহ ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীয়ে আমাক প্ৰতি ক্ষেত্ৰতে সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে সকলোৰে ওচৰত কৃতজ্ঞতাৰ শৰাই আগবঢ়াই প্ৰতিবেদনখনি সামৰণি মাৰিছোঁ।

**— ভাৰ্গৱ দৈমাৰী**



# আলোচনী সম্পাদক

পোনপ্ৰথমেই দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া, মহাবিদ্যালয়ৰ সমূহ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল লগতে ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ শ্ৰদ্ধা আৰু আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়খনৰ লগত প্ৰতিষ্ঠাকালৰ পৰা এতিয়ালৈ জড়িত হৈ থকা মহান ব্যক্তিসকলকো এই ছেগতে গভীৰ শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। ১ অক্টাবৰ ২০২৪ তাৰিখে মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰি পঠিওৱাৰ বাবে মহাবিদ্যালয়ৰ সকলোলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

১৮ নম্বেবৰ ২০২৪ তাৰিখে আমাৰ ছাত্ৰ একতা সভাই দায়িত্বভাৰ গ্ৰহণ কৰে। আলোচনী সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰা তাৰিখৰ পৰা আমাৰ প্ৰথম লক্ষ্য হ'ল কেনেদৰে দুলীয়াজান মহাবিদ্যালয়ৰ আলোচনী 'অনুৰণনখন আটক ধুনীয়াকৈ বৃহৎ কলেৱৰত প্ৰকাশ কৰিব পাৰি। সেই উদ্দেশ্যৰেই আলোচনী বিভাগৰ তত্বাৱধায়ক ড° মুন্মী কোঁৱৰ বাইদেউৰ সৈতে এখনি আলোচনা মিলিত হৈ কিছু সিদ্ধান্ত গ্ৰহণ কৰোঁ। লগতে ২০২৫ বৰ্ষৰ মাৰ্চ মাহত আলোচনীখনৰ বাবে এখন সম্পাদনা সমিতি গঠন কৰাৰ লগতে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আলোচনাত মিলিত হৈ তেখেতসকলক বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত লিখা-মেলা কৰিবলৈ আহ্বান জনাওঁ।

দ্বিতীয়তে ফেব্ৰুৱাৰী মাহত ৪৯ সংখ্যক মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰতিভা বিকাশ সপ্তাহত আলোচনী বিভাগৰ পৰা সৰ্বমুঠ ১৯ টা প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত কৰিবলৈ সক্ষম হওঁ। প্ৰতিযোগিতাসমূহ আছিল কবিতা লিখা, গল্প লিখা, চিত্ৰাংকন, প্ৰবন্ধ লিখা ইত্যাদি।

তৃতীয়তে, বিহুৰ লগত সংগতি ৰাখি অনুষ্ঠিত ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা ব'হাগী আদৰণী অনুষ্ঠিত কৰা হৈছিল। এই অনুষ্ঠানত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আলোচনী বিভাগৰ একক উদ্যোগত ছাত্ৰ একতা সভাৰ ছমহীয়া ই-আলোচনী অভ্যুদয়ৰ বসন্ত বিশেষ সংখ্যা তৃতীয় বছৰৰ প্ৰথম সংখ্যা মুকলি সভাত উন্মোচন কৰিবলৈ সক্ষম হওঁ। যিখন আলোচনীক লগে লগেই পূৰ্বৰ দৰেই গ্ৰন্থাগাৰৰ Official websiteত সুলভ কৰোৱা হৈছিল।

ইয়াৰ পৰৱৰ্তী পৰ্যায়ত আলোচনী সম্পাদক সাহিত্য আৰু তৰ্ক সম্পাদকৰ যুটীয়া সহযোগত ১৮, ১৯, ২০ তাৰিখে স্বাধীনতা দিৱস উপলক্ষে তিনিদিনীয়া কাৰ্যসূচীৰে কুইজ (আন্তঃ বিভাগীয়), ৰচনা লিখা আৰু ঠাইতে কবিতা লিখা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল।

ইয়াৰ লগে লগে অনুৰণনৰ বাবে বিভিন্ন ব্যক্তিৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিবলৈ বিভিন্ন ঠাইলে যোৱা হৈছিল। আমি শ্ৰদ্ধাৰ দেৱজিৎ চাংমাই, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, পূৰ্ণিমা দেৱী বৰ্মন, মঞ্জিৎ কাশ্যপ এই ব্যক্তিকেইজনৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিছিলোঁ। এনেকৈয়ে আমাৰ অনুৰণনৰ এটা-দুটাকৈ প্ৰায় সকলোবোৰ কামেই সম্পূৰ্ণ হৈ উঠিল।

শেষত, আলোচনী সম্পাদক হিচাপে আমাৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ প্ৰতি কিমানখিনি কাম কৰিব পাৰিলো তাৰ বিচাৰ ছাত্ৰ সমাজৰ হাতত এৰি দিছো। অনুৰণন প্ৰকাশৰ লগতে বিভিন্ন দিশত সহায় আগবঢ়োৱা সকলো শিক্ষকবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে আৰম্ভণি সময়ৰ পৰা শেষ পৰ্যন্ত বিভিন্ন কাৰ্যৰ লগত আলোচনীখনৰ বিভিন্ন দিশত সহায় আগবঢ়োৱা তত্বাৱধায়ক ড° মুন্মী কোঁৱৰ বাইদেউক ধন্যবাদ জনাইছোঁ। বিতু বুঢ়াগোহাঁই ('অনুৰণন'ৰ প্ৰাক্তন সম্পাদক, নৱাগত বেটুপাত শিল্পী তথা গ্ৰাফিক্স ডিজাইনাৰ) দাদা, কিৰণময়ী বড়া ('অনুৰণন'ৰ প্ৰাক্তন সম্পাদক) বা, সিদ্ধাৰ্থ গৌতম দত্ত (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ তথা গ্ৰাফিক্স ডিজাইনাৰ) দাদা, ৰংপুৰ প্ৰিন্টিং এণ্টাৰপ্ৰাইজ ছপাশালাৰ স্বত্বাধিকাৰী ৰামচন্দ্ৰ মেধি বৰদেউতা, আৰ্হি নিৰীক্ষক জুৰি গগৈ বৰমা, মোৰ অগ্ৰজ আৰু অনুজ সকলোলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু মোৰ আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

**— জোনমণি বড়ো**



# সাংস্কৃতিক সম্পাদক

সংস্কৃতিৰ পথাৰে আৰৰা বাৰেৰহণীয়া অসমৰ এখন অন্যতম শিক্ষানুষ্ঠান দুলীয়াজান মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক হিচাপে একলম লিখাৰ আগমুহূৰ্তত দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া তথা মোৰ পূজনীয় শিক্ষা গুৰুসকলৰ লগতে প্ৰিয় অগ্ৰজ, অনুজ তথা বন্ধু সমাজলৈ শ্ৰদ্ধা আৰু মৰম আৰু সেৱা আগবঢ়াইছোঁ।

মই দুলীয়াজান মহাবিদ্যালয়ত ২০২২ চনৰ পৰাই অধ্যয়নত ব্ৰতী হৈ থকাৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানসমূহত নিজকে নিয়োজিত কৰি আহিছোঁ। বিগত সময়ত ২০২৪-২৫ বৰ্ষ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে নিজৰ কাৰ্য সম্পাদন কৰিব যাওঁতে, সত্য, নিষ্ঠা আৰু একাগ্ৰতাৰে কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিলোঁ। সেয়ে আৰু দুলীয়াজানৰ সহযোগত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানবোৰত খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছিলোঁ।

কাৰ্যকালৰ আৰম্ভণিতে 'অসম প্ৰকাশন পৰিষদ'ৰ উদ্যোগত অনুষ্ঠিত হোৱা 'অসম গ্ৰন্থমেলা' দুলীয়াজান (২০২৪)ৰ মূল সাংস্কৃতিক প্ৰতিযোগিতাত মূল সাংস্কৃতিক প্ৰতিযোগিতাত আমাৰ নেতৃত্বত মহাবিদ্যালয়ৰ এটি দলে অংশগ্ৰহণ কৰি ডিব্ৰুগড়-তিনিচুকীয়া জিলাৰ ভিতৰত দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে স্থান লাভ কৰাৰ লগতে বাদ্যযন্ত্ৰৰ সুৰ-সমলয় প্ৰতিযোগিতাত শ্ৰেষ্ঠ বঁটা পাবলৈও সক্ষম হৈছিল। কাৰ্যকালৰ আৰম্ভণিতে এনেধৰণৰ সফলতা অৰ্জন কৰি মনত বহুখিনি উৎসাহ জাগি উঠিছিল।

ইয়াৰ পাছতেই শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়, নামতি (শিৱসাগৰ)ত অনুষ্ঠিত হোৱা 'ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ— ২০২৫'ত আমাৰ মহাবিদ্যালয়ৰ প্ৰায় ২৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি বিভিন্ন প্ৰতিযোগিতাত নিজস্ব পাৰদৰ্শিতাৰে সৰ্বমুঠ ১১ টা পুৰস্কাৰ পাবলৈ সক্ষম হয়। এই বৃহৎ জয়লাভ যাত্ৰাৰ তত্বৱধায়ক ড° মৃণ্ময় কুমাৰ বৰুৱা ছাৰলৈ এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ইয়াৰ পাছত, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আমি অৰ্থাৎ দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগিতা আৰু সমূহ দুলিয়ান পৰিয়ালৰ আতিথ্যত ১ আগষ্ট ২০২৫ তাৰিখে এখনি ভাওনা প্ৰদৰ্শন কৰা হৈছিল। যিটোৱে মহাবিদ্যালয়ৰ আধ্যাত্মিক দিশটোক প্ৰভাৱ পেলাইছিল বুলি মোৰ বিশ্বাস।

উক্ত কাৰ্যকলাপৰ মাজতেই ৰাভা দিৱস মহাবিদ্যালয়ৰ প্ৰতিভা বিকাশ সপ্তাহ, বহাগী আদৰণি, ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী আদি অনুষ্ঠানসমূহ আটকধুনীয়াকৈ উদ্‌যাপন কৰা হৈছিল। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ উৎকৰ্ষ সাধনৰ বাবে সৃষ্টিমূলক তথা সত্ৰীয়া নৃত্যৰ কৰ্মশালাও অনুষ্ঠিত কৰা হৈছিল।

এই বিশাল যাত্ৰাত মোৰ লগতে তত্বৱধায়ক ছাৰৰ লগতে সমাজৰ বহুতো গণমান্য ব্যক্তি, সমাজকৰ্মী তথা মোৰ শুভাকাংক্ষীসকল জড়িত আছিল। গতিকে পুনৰবাৰ এই চমু প্ৰতিবেদনখনৰ জৰিয়তে সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**— ঋতুৰাজ গগৈ**



# বহিঃখেল সম্পাদক

Respected principal, vice principal, esteemed teachers, staff members my fellow union members of Duliajan College and my dear seniors, juniors and friends. I would like to express my heartfelt gratitude to my journey of being able to elected as major games secretary on 1st October 2024. I was officially charge as major games secretary on 18th November 2024.

My heartfelt thank to the incharge of major games secretary (Mr. Chittaranjan Gohain) who guided and supported me how to manage and conducts the events included in the sector of Major games.  I learn many things, lesson and most improtently we both completed our events which is under the sector of Major games.

I am honoured to present a brief report on the activities and accomplishments of the student union 2024-25 in this year's annual magazine. Being a part of the Duliajan College Student Union (DCSU) 2024 -25 was not only been a position of responsibility but also an opportunity to can tribute meaningful to our college community. Aftert taking charge my first event was GS Lohia College fest which was held in 28th January 2025. Four Athletes went their to participate in the Athletics sector All the four Athletes got first position and achieve gold for our Duliajan College.

My second event was Inter College Athletics championship which was held in Gogamukh College, Gogamukh on 3rd February 2025 to 6th February 2025. The athletes of our college Athletics team, perform very good  I appreciate all the Athletes who represents our Duliajan at the Inter College Athletics championship.

My last and the most challenging event was the 42th college week of our Duliajan College which was held on 5th February to 11 th February. During that week we organize five events- cricket, football, athletics, tug of war and marathon.

At last I humbly appreciate all the students of Duliajan College for their co-operation, showing the unity and sportsmenship, also for participating in the Major games sector.

"I wish this institution's journey be filled with even more significant achievements in the future and I have no doubt that this institution will achieve great things in the upcoming days and again wishing this institution strength, prosperity and a lasting legacy."

**Rohan kumar Payang**



# আন্তঃখেল সম্পাদক

মই দুলীয়াজান মহাবিদ্যালয় ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আন্তঃক্ৰীড়া সম্পাদক নিৰ্বাচিত হৈছিলোঁ। যিহেতু মই এজন খেলুৱৈ গতিকে, সেইবাবে মহাবিদ্যালয়খনৰ খেল বিভাগটো আৰু অধিক উন্নতিৰ বাবে মই এই পদটোত নিৰ্বাচিত হোৱাটো বিচাৰিছিলোঁ। যোৱা এবছৰৰ পৰা মই বিভিন্ন অভিজ্ঞতা পাৰ কৰিলোঁ তাৰে ভিতৰত মোৰ প্ৰথম অভিজ্ঞতা আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় ভলীবল, বেডমিন্টন, কাবাডি, টেবুল টেনিছ প্ৰতিযোগিতাসমূহ অংশগ্ৰহণ কৰাইছিলোঁ। ইয়াৰ লগতে G. S. lohia Collegeৰ আমাৰ মহাবিদ্যালয়ৰ ল'ৰাৰ ভলীবল দলটি বিজয়ী হৈছিল। তাৰ লগতে আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰিয়া সপ্তাহত সকলো সহপাঠী আৰু চন্দন দাস ছাৰ আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্যই মোক সহযোগিতাৰে বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ দিনবোৰ উৎসাহ

আৰু আনন্দমনেৰে পাৰ হৈছিল।

এই অভিজ্ঞতাৰ জৰিয়তে মই শিকিলো যে একতাৰে কাম কৰিলে অসম্ভৱ বুলিও নাথাকে।

আন্তঃক্ৰীড়াৰ জৰিয়তে মহাবিদ্যালয়ত এক সুস্থ, আনন্দময় আৰু সক্ৰিয় পৰিৱেশ গঢ়ি তুলিব পাৰিলোঁ বুলি মই গৌৰৱ অনুভৱ কৰোঁ।

এই অভিজ্ঞতা মোৰ বাবে এটা দায়িত্ব নহয় ই এক স্মৰণীয় যাত্ৰা।

**— আদিত্য কুমাৰ যাদৱ**



# সাহিত্য আৰু তৰ্ক সম্পাদক

দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু তৰ্ক সম্পাদিকাৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় শিক্ষা গুৰুসকল, ছাত্ৰ একতা সভাৰ অগ্ৰজ, অনুজ তথা সতীৰ্থসকললৈ শ্ৰদ্ধা আৰু মৰম নিবেদন কৰিছোঁ।

দুলীয়াজান মহাবিদ্যালয়ৰ ২০২৪- ২৫ বৰ্ষৰ দৰে ছাত্ৰ একতা সভাৰ সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদিকাৰ এক গুৰু দায়িত্ব অৰ্পণ কৰাৰ বাবে আপোনালোক সকলোলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ এই কাৰ্যকালত শিক্ষক তত্ত্বৱধায়ক হিচাপে দিহা-পৰামৰ্শৰে মোৰ কৰণীয়সমূহ কৰি যোৱাত সহায় কৰা শ্ৰদ্ধাৰ শ্ৰীযুতা পিংকী শৰ্মা শইকীয়া বাইদেউক এই প্ৰতিবেদনৰ যোগেদিয়েই শ্ৰদ্ধা নিবেদিছোঁ। লগতে এই মোৰ এই যাত্ৰাত সকলো ধৰণেৰে সহায়-সহযোগিতা আগবঢ়াই মোৰ সহযাত্ৰী হোৱা প্ৰত্যেকজনলৈ আন্তৰিক ধন্যবাদ জনালোঁ।

আমাৰ মহাবিদ্যালয়ত প্ৰতিভা বিকাশ সপ্তাহৰ লগত সাহিত্য আৰু তৰ্ক বিভাগৰ উদ্যোগত এলানি সাহিত্য প্ৰতিযোগিতাৰ কৰা হৈছে। তাৰ ভিতৰত তৰ্ক, কুইজ, বক্তৃতা কবিতা আবৃত্তি, বাতৰি পৰিৱেশন, চিঠি লিখা, হাতৰ আখৰ, সংলাপ, আকস্মিক বক্তৃতা আদি আছিল। এই সকলোবোৰ প্ৰতিযোগিতাত প্ৰতিটো বিভাগৰ ছাত্ৰীৰ অংশগ্ৰহণে অনুষ্ঠানবিলাক সাফল্যমণ্ডিত কৰি তোলাত সহায় কৰিছিল।

ইয়াৰ পৰৱৰ্তী পৰ্যায়ৰ আলোচনী সম্পাদকৰ আৰু সাহিত্য আৰু তৰ্ক সম্পাদকৰ যুটীয়া সহযোগত ১৮,১৯,২০ অক্টোবৰ তাৰিখে স্বাধীনতা দিৱস উপলক্ষে তিনিদিনীয়া কাৰ্যসূচীৰে কুইজ (বিভাগীয়), ৰচনা লিখা আৰু ঠাইতে লিখা কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ লগতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলে বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা মুকলি কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল।

তৰ্ক বিভাগৰ সম্পাদিকা হিচাপে আটাইতকৈ গধুৰ দায়িত্ব আছিল ‘শ্বহীদ সোঁৱৰণী বাৰ্ষিক সদৌ অসম আন্ত মহাবিদ্যালয়/বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা’ অনুষ্ঠিত কৰাটো। এই বৰ্ষৰ ২৫ অক্টোবৰ তাৰিখে অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাৰ অধ্যক্ষৰ আসন গ্ৰহণ কৰিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° নাচমিন ফাৰাইন আখতাৰ বাইদেউৱে আৰু বিচাৰকৰ দায়িত্বত আছিল তিনিচুকীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° নিলীম জ্যোতি সেনাপতি ছাৰ, এম ডি কে জি মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড° ৰিজিয়া বেগম লস্কৰ বাইদেউ আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক অভিশেষ কাব্ৰা ছাৰ। এই প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি অসমৰ কেইবাখনো মহাবিদ্যালয়ৰ দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। সহস্ৰাধিক শিক্ষাৰ্থীয়ে পৰিপূৰ্ণ মহাবিদ্যালয় এখনত আনুষ্ঠান এটা আয়োজনৰ দায়িত্ব অতি গধুৰ। এইক্ষেত্ৰত অজানিতে হোৱা সকলো দোষ-ক্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাইছোঁ। শেষত দুলীয়াজান মহাবিদ্যালয়ৰ পৰিয়ালটি ৰ সকলো দিশতে উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰিছোঁ।

**— অৰ্চনা সোণোৱাল**



# উৎসৱ সম্পাদক

With a heart full of gratitude and pride, I take this opportunity to reflect on a year that has been nothing short of memorable. Serving as the Festival Secretary of Duliajan College Students' Union for the session 2024–2025 has been both an honor and a profound learning experience.

When I first decided to contest the election, my only aim was to contribute meaningfully to the vibrant cultural spirit of our college. The trust and confidence placed in me by my fellow students gave me the strength to move forward. Winning the election was not just a personal achievement but a shared victory of every student who believed in me.

Throughout the year, I worked with deep dedication to uphold the essence of our college festivals.The year witnessed several beautiful celebrations, beginning with the Diwali , where the entire campus came alive with glowing diyas symbolizing hope and togetherness. The Saraswati Puja was organized with devotion and enthusiasm, marking a day of learning and blessings. The Holi festival added a splash of color and joy to our campus. Besides these, various other cultural and social events were also conducted successfully.

As my tenure draws to a close, I would like to extend my heartfelt thanks to our respected college administration, the Students' Union, and especially my guiding mentor Dr. Niranjan Das for constant encouragement and unwavering support. I also owe my gratitude to all the members of students union and my friends whose spirit and hard work turned every event into a success.

**- Kuki Saikia**



# সমাজ-সেৱা সম্পাদক

সমাজসেৱাৰ সম্পাদকৰ প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত প্ৰথমেই দুলীয়াজান মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া, শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল, অগ্ৰজ, অনুজ সতীৰ্থলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়খনৰ প্ৰতি কিছু কাম কৰাৰ হেঁপাহ মনত পুহি মই ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সমাজসেৱা সম্পাদক হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিলো। উক্ত নিৰ্বাচনত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰাৰ বাবে মই সকলোৰে ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিম।

সমাজসেৱা সম্পাদকৰ দায়িত্ব লোৱা পাছতে মহাবিদ্যালয়ত প্ৰথম কাৰ্যসূচী আছিল পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভিযান। এই অনুষ্ঠানটো সকলোৰে সহযোগত অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ বাহিৰেও মহাবিদ্যালয়ত প্ৰতি বছৰে অনুষ্ঠিত কৰাৰ দৰে এইবছৰো ৫ জুন বিশ্ব পৰিৱেশ দিৱস দিনটো পালন কৰা হয় আৰু লগতে বহুতো গছপুলি ৰোপণ কৰা হয়। দুলীয়াজান মহাবিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰিবলৈ অহা প্ৰথম যান্মাসিক আৰু একাদশ শ্ৰেণী ছাত্ৰ-ছাত্ৰীসকলৰ বিনামূলীয়া প্ৰ-পত্ৰ পূৰণৰ কাৰ্যসূচী হাতত লোৱা হয়।

শেষত দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষক-কৰ্মচাৰী তথা কাৰ্যালয়ৰ কৰ্মচাৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। মোৰ এবছৰীয়া কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

**— তন্ময় গগৈ**



## ব্যায়ামাগাৰ সম্পাদক

প্ৰতিবেদন লিখাৰ প্ৰাক্‌ক্ষণত অমৰ শ্বহীদ বীৰ-বীৰাংগনাসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ। দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা ক্ষণৰ সকলো ব্যক্তিকে মই এই সুযোগতে শ্ৰদ্ধা নিবেদিছোঁ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া, শিক্ষাগুৰুসকল আৰু মোৰ অগ্ৰজ-অনুজ তথা মোৰ সহপাঠীসকললৈ মান্যতানুসৰি শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ২০২৪-২৫ বৰ্ষটো মোৰ বাবে এটা গুৰুত্বপূৰ্ণ বছৰ। কিয়নো দুলীয়াজান মহাবিদ্যালয়ৰ দৰে এক গৌৰৱোজ্জল ইতিহাস থকা মহাবিদ্যালয় এখনৰ ছাত্ৰ একতা সভাৰ ব্যায়ামাগাৰ সম্পাদকৰ দৰে এক গুৰু দায়িত্ব পোৱাৰ বাবে মই নিজকে সৌভাগ্যৱান বুলি ভাবিছোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিভা বিকাশৰ বাবে কৰিবলৈ বহুতো কাম কীৰবলগীয়া থাকে।

মোৰ কাৰ্যকালত এই বিভাগটোৰ বাবে সাধ্য অনুসৰি আৰু সীমিত পুঁজিৰে বহুতো কাম কৰিলোঁ আৰু কৰিবলগীয়া থাকিল। ব্যায়ামাগাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আমাৰ মহাবিদ্যায়ৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত 'টাইকোৱাণ্ড' (Tackwondo) খেলৰ বাবে দুজন খেলুৱৈ নামৰূপ মহাবিদ্যালয়ত খেলিবলৈ যায় আৰু দুয়োজন সফলৰূপে নিৰ্বাচিত হয়। ইয়াৰ পাছতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত শক্তি উত্তোলন (Powerlifting] ভাৰ উত্তোলন (weiglitlifting], খেলৰ বাবে আমাৰ মহাবিদ্যালয়ৰ পৰা সাতজন খেলুৱৈ যায় আৰু তিনিজনে সফল ৰূপত নিৰ্বাচিত হয়।

দুলীয়াজান মহাবিদ্যালয়ত প্ৰতি বছৰে অনুষ্ঠিত কৰি অহা আমাৰ কাৰ্যকালতো মহাবিদ্যালয়ত বাৰ্ষিক প্ৰতিভা বিকাশ সপ্তাহ অনুষ্ঠিত কৰা হয়। এই প্ৰতিভা বিকাশ সপ্তাহত ব্যায়ামাগাৰ বিভাগৰ বিভিন্ন খেলবোৰত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি কিছু সফল ৰূপত নিৰ্বাচিত হয়।

পৰিকল্পনা মতে কিছু কাম কৰা হ'ল যদিও আমাৰ কাৰ্যকাল শেষ হৈ অহাৰ বাবে ভবা মতে সকলো কাম কৰিব পৰা নহ'ল। তথাপি প্ৰতিটো কামেই নিষ্ঠা আৰু সততাৰে কৰিবলে চেষ্টা কৰিছিলোঁ।

দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ব্যায়ামগাৰ সম্পাদকৰ দায়িত্ব পালন কৰোঁতে অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়ৰ লগতে তত্ত্বৱধায়ক শ্ৰীযুত ৰাজীৱ কুমাৰ দলে ছাৰৰ আশীৰ্বাদত কাম কৰি যোৱাত প্ৰেৰণা পাইছিলোঁ। তেখেতসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ এই কাৰ্যকালত সহযোগিতা আগবঢ়োৱা প্ৰতিজন শিক্ষাগুৰু, অগ্ৰজ-অনুজ, সতীৰ্থলৈ আন্তৰিক ধন্যবাদ জনালোঁ। মোৰ অজানিতে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ উন্নতি কামনাৰে ব্যায়ামাগাৰ সম্পাদকৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**বিতুপন ৰাগলাৰী**



## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক

I am overwhelmed with gratitude and humility as I express my heartfull thanks me as to each and everyone for electing Boy's Common Room Secretary of Duliajan College 2024-2025. I was officially charge as boys common room secretary on 18th November 2024.

I would like to express my sincere gratitude and thanks to Dr. Hrishikesh Boruah who has been with me and every moment as my supervison during my tenure. At the begining my tenure, I participated in an inter-college chess tournament.Then G.S Lahia College ENFETE '25 was held in Tinsukia.

After award, a total of seven Competition were held in the College week.The Competition were Pot breaking, musical chair, carrom, chess and the main attraction of this competition was the traditional dress Competition. I released two new games :- Sweet dish Competition and craft Competition.My journey became beautiful with the help and co-operation from each and every member of the Union. I want to thank everyone for their support till the end.

I wish this institution a lot of glorious achievement in the coming days.

**- Sagar Thapa**



## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক

ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষা মহোদয়া তথা পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ লগতে কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, অগ্ৰজ, অনুজ আৰু মহাবিদ্যালয়ৰ প্ৰতিটো দিশতে সেৱা আগবঢ়োৱা প্ৰত্যেকজন ব্যক্তিক মোৰ ফালৰ পৰা সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

দুলীয়াজান মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰাৰ লগতে মহাবিদ্যালয়খনিত সেৱা আগবঢ়োৱা মোৰ বাবে এক সপোন আছিল। যি সপোনে এদিন বাস্তৱ ৰূপ লবলৈ সক্ষম হয় আৰু লগতে মনৰ উদম্য হেঁপাহেৰে মহাবিদ্যালয়খনিৰ হকে কাম কৰাৰ সুযোগখিনিও মোক প্ৰদান কৰে ২০২৪-২৫ বৰ্ষৰ দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনখনিয়ে। এই সাধাৰণ নিৰ্বাচনৰ জৰিয়তে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত দায়িত্বভাৰ গ্ৰহণ কৰি মই নিজৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰাৰ দিশত আগবাঢ়িছিলোঁ।

মই ছাত্ৰী সকলৰ সুবিধাৰ্থে জিৰণি কোঠাটো পৰিষ্কাৰ-পৰিচ্ছন্নতাৰে ৰখা, লাগতিয়াল বস্তু যোগান ধৰা ইত্যাদি ধৰণৰ কাম সমূহ কৰিবলৈ চেষ্টা কৰিছিলোঁ লগতে মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰতিভা বিকাশ সপ্তাহত পিঠা-পনা, আল্পনা, মেহেন্দী, কেৰম, চকী খেল, ডবা আদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিছিলোঁ। এই ক্ষণতে মোৰ তত্বাৱধায়ক মহাবিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ অংকিতা বৰুৱা বাইদেউ আৰু দিহা-পৰামৰ্শ আগবঢ়োৱা প্ৰাক্তন ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে কাৰ্যকালৰ প্ৰতিটো কাৰ্যসূচী আৰু অনুষ্ঠানত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। শেষত, আমাৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ আৰু মহাবিদ্যালয়খনিৰ চিৰকালৰ উন্নতিৰ কামনাৰে মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**— শান্তনা শিল্পনীয়া**

(বিঃ দ্ৰঃ - ব্যক্তিগত কাৰণত ছাত্ৰ একতা সভাৰ **সহযোগী সাধাৰণ সম্পাদক** এ মহাবিদ্যালয় ত্যাগ কৰাৰ লগতে যথা সময়ত ছাত্ৰ একতা সভাৰ লগত কোনো ধৰণৰ প্ৰত্যক্ষ আৰু পৰোক্ষ যোগাযোগ নৰখা আৰু বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদনৰ প্ৰতিলিপি, যাৱতীয় তথ্যপাতি সময়মতে যোগান নধৰাৰ বাবে **সহযোগী সাধাৰণ সম্পাদক** ৰ বাৰ্ষিক প্ৰতিবেদন প্ৰকাশ কৰিব পৰা নগ'ল।)

# দুলীয়াজান মহাবিদ্যালয়ৰ

# ২০২৪-২৫ বৰ্ষ (৪৮সংখ্যক)ৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ ফলাফল

## আলোচনী বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

**ক) কবিতা সংকলন (ইংৰাজী)**
প্ৰথম ঃ সন্ধ্যা ছেত্ৰী
দ্বিতীয় ঃ মণিষা কুমাৰী গুপ্তা

**খ) কবিতাসংকলন (অসমীয়া)**
প্ৰথম ঃ ৰাজু বেজবৰুৱা
দ্বিতীয় ঃ দীপশিখা ৰাজকোঁৱৰ
তৃতীয় ঃ কুইঞ্চমিতা মেচ

**গ) গ্ৰন্থ সমালোচনা (ইংৰাজী)**
প্ৰথম ঃ বনজ্যোৎস্না গগৈ
দ্বিতীয় ঃ আৰতি সিং

**ঘ) গ্ৰন্থ সমালোচনা (অসমীয়া)**
প্ৰথম ঃ দীপশিখা ৰাজকোঁৱৰ
দ্বিতীয় ঃ জিন্তী বড়া

**ঙ) গল্প সংকলন (ইংৰাজী)**
প্ৰথম ঃ সন্ধ্যা ছেত্ৰী
দ্বিতীয় ঃ মণিষা কুমাৰী গুপ্তা

**চ) গল্প সংকলন (অসমীয়া)**
প্ৰথম ঃ ৰিকিমণি গগৈ
দ্বিতীয় ঃ দীপশিখা ৰাজকোঁৱৰ

**ছ) প্ৰবন্ধ লিখন (ইংৰাজী)**
প্ৰথম ঃ প্ৰিয়ংকা শৰ্মা
দ্বিতীয় ঃ বনজ্যোৎস্না গগৈ
তৃতীয় ঃ মনিষা কুমাৰী গুপ্তা

**জ) প্ৰবন্ধ লিখন (অসমীয়া)**
প্ৰথম ঃ জিন্তী বড়া
দ্বিতীয় ঃ পূজা ছেত্ৰী, দীপশিখা ৰাজকোঁৱৰ
তৃতীয় ঃ চুনাই কাৰ
বিচাৰকৰ বিশেষ বঁটা ঃ বৈশালী গগৈ

**ঝ) চলচ্চিত্ৰ সমালোচনা (ইংৰাজী)**
প্ৰথম ঃ অনিষা ভূমিজ
দ্বিতীয় ঃ বনজ্যোৎস্না গগৈ
তৃতীয় ঃ নন্দিনী বৰঠাকুৰ

**ঞ) চলচ্চিত্ৰ সমালোচনা (অসমীয়া)**
প্ৰথম ঃ প্ৰিয়ংকা খনিকৰ
দ্বিতীয় ঃ নিৰজ কমল দাস, দিপশিখা ৰাজকোঁৱৰ
তৃতীয় ঃশেৱালি শৰ্মা

**ট) ঠাইতে লিখা কবিতা (ইংৰাজী/অসমীয়া)**
প্ৰথম ঃ প্ৰিয়ংকা খনিকৰ
দ্বিতীয় ঃ প্ৰজ্ঞা ফুকন, শেৱালি শৰ্মা
তৃতীয় ঃ ভাচৰাত গগৈ, প্ৰিয়া খনিকৰ
বিচাৰকৰ বিশেষ বটা ঃ ভাৰ্গৱী হাজৰিকা

**ঠ) ঠাইতে লিখা সাধু (ইংৰাজী/অসমীয়া)**
প্ৰথম ঃ প্ৰিয়ংকা খনিকৰ
দ্বিতীয় ঃ চুমাই কাৰ, প্ৰিয়া খনিকৰ
তৃতীয় ঃ বিনিতা ভৰালী

**ড) আলোচনীৰ বেটুপাত অংকন**
প্ৰথম ঃ লোহিত সোণোৱাল
দ্বিতীয় ঃ লাকি গগৈ
তৃতীয় ঃ শুভাংকৰ গগৈ
বিচাৰক বিশেষ বটা ঃ আৰাধানা তামুলী

**ঢ) চিত্ৰংকন**
প্ৰথম ঃ লোহিত সোণোৱাল
দ্বিতীয় ঃ আৰাধানা তামুলী
তৃতীয় ঃ সুভমিত মজুমদাৰ

**ণ) মৃত-শিল্প**
প্ৰথম ঃ ৰেজুক পানিকা

**ত) স্থিৰ চিত্ৰ (ফটোগ্ৰাফি)**
প্ৰথম ঃ ইন্দ্ৰজিৎ কলিতা
দ্বিতীয় ঃ বাৰ্বি বৰশইকীয়া
পূজা পঞ্চপতি শৰ্মা
তৃতীয় ঃ বিতুপন বাগ্লাৰী

**থ) পোষ্টাৰ**
প্ৰথম ঃ বিনিতা ভোৰালি
দ্বিতীয় ঃ আমন বৰা
তৃতীয় ঃ আৰাধনা তামুলী

**দ) প্ৰাচীৰ-পত্ৰিকা**

প্ৰথম ঃ উদ্ভিদ বিজ্ঞান

দ্বিতীয় ঃ ৰসায়ন বিজ্ঞান আৰু অসমীয়া বিভাগ

তৃতীয় ঃ ৰাজনীতি বিজ্ঞান আৰু ইংৰাজী বিভাগ

বিচাৰকৰ বিশেষ বটা ঃ অৰ্থনীতি আৰু গণিত বিভাগ

**ধ) হাতে লিখা আলোচনী**

প্ৰথম ঃ ইংৰাজী বিভাগ

দ্বিতীয় ঃ উদ্ভিদ বিজ্ঞান আৰু অসমীয়া বিভাগ

তৃতীয় ঃ প্ৰাণীবিজ্ঞান আৰু ৰসায়ন বিজ্ঞান বিভাগ

বিচাৰকৰ বিশেষ বটা ঃ সমাজতত্ব বিভাগ

**শ্ৰেষ্ঠ সাহিত্যিক ঃ প্ৰিয়ংকা খনিকৰ**

**তৰ্ক আৰু সাহিত্য বিভাগ প্ৰতিযোগিতাৰ ফলাফল**

**ক) তৰ্ক অতিযোগিতা**

প্ৰথম ঃ কাংকনা তামুলী

দ্বিতীয় ঃ নিবেদিতা বড়া

তৃতীয় ঃ নয়নজ্যোতি চেতিয়া

**খ) আকস্মিক বক্তৃতা**

প্ৰথম ঃ বিতু বুঢ়াগোহাঁই

দ্বিতীয় ঃ গোপালজ্যোতি গগৈ

বন্তি দত্ত

তৃতীয় ঃ নয়নজ্যোতি চেতিয়া

**গ) অসমীয়া কবিতা আবৃত্তি**

প্ৰথম ঃ সন্ধ্যা চেত্ৰী

দ্বিতীয় ঃ অৰ্পিতা গগৈ

তৃতীয় ঃ আকাংক্ষা তালুকদাৰ

**ঘ) ইংৰাজী কবিতা আবৃত্তি**

প্ৰথম ঃ সন্ধ্যা চেত্ৰী

দ্বিতীয় ঃ শুভাংকৰ গগৈ

বিচাৰকৰ বিশেষ বঁটা ঃ ইপ্সিতা গগৈ

**ঙ) অসমীয়া বাতৰি পৰিৱেশন**

প্ৰথম ঃ প্ৰিয়াংকা খনিকৰ

দ্বিতীয় ঃ নয়নজ্যোতি চেতিয়া

দিপশিখা ৰাজকোঁৱৰ

তৃতীয় ঃ বিনীতা ছেত্ৰী

**চ) ইংৰাজী বাতৰি পৰিৱেশন**

প্ৰথম ঃ ভাস্বত গগৈ

দ্বিতীয় ঃ সন্দিপ লামা

শুভাংকৰ গগৈ

তৃতীয় ঃ অনুভৱ বৰুৱা

**ছ) বক্তৃতা প্ৰতিযোগিতা**

প্ৰথম ঃ সন্দীপ লামা

দ্বিতীয় ঃ জিন্টী বড়া

তৃতীয় ঃ অভিশেষ চাহ

নয়নজ্যোতি চেতিয়া

**জ) সংলাপ প্ৰতিযোগিতা**

প্ৰমম ঃ বিবেচিত নহাল

দ্বিতীয় ঃ আকাংক্ষা তালুকদাৰ

তৃতীয় ঃ তৃষ্ণা বৰা

সমুদ্ৰ শইকীয়া

**ঝ) কুইজ প্ৰতিযোগিতা**

প্ৰথম ঃ অসমীয়া বিভাগ

দ্বিতীয় ঃ পদাৰ্থ বিজ্ঞান বিভাগ

তৃতীয় ঃ বানিজ্য বিভাগ

**ঞ) হাতৰ আখৰ প্ৰতিযোগিতা (অসমীয়া)**

প্ৰথম ঃ অনিশা দাস

দ্বিতীয় ঃ গুলাইনা কোঁৱৰ

তৃতীয় ঃ লাকী গাগৈ

**ট) হাতৰ আখৰ প্ৰতিযোগিতা (ইংৰাজী)**

প্ৰথম ঃ কুঁহি বৰশইকীয়া

দ্বিতীয় ঃ দিপশিখা দত্ত

তৃতীয় ঃ দিশা বৰা

**ঠ) চিঠি লিখা প্ৰতিযোগিতা (অসমীয়া)**

প্ৰথম ঃ প্ৰিয়ংকা খনিকৰ

দ্বিতীয় ঃ জিন্টী বড়া

তৃতীয় ঃ প্ৰিয়া খনিকৰ

**ড) প্ৰতিবেদন লিখা প্ৰতিযোগিতা (অসমীয়া)**

প্ৰথম ঃ নয়নজ্যোতি চেতিয়া

দ্বিতীয় ঃ গুলাইনা কোঁৱৰ

তৃতীয় ঃ দিপশিখা ৰাজকোঁৱৰ

**ঢ) চিঠি লিখা প্ৰতিযোগিতা (ইংৰাজী)**

প্ৰথম ঃ মণিষা কুমাৰী গুপ্তা

দ্বিতীয় ঃ ভাস্বত গগৈ

তৃতীয় ঃ সন্দীপ লামা

**ণ) প্ৰতিবেদন লিখা প্ৰতিযোগিতা (ইংৰাজী)**

প্ৰথম ঃ ভাস্বত গগৈ

দ্বিতীয় ঃ অভিশেষ চাহ
তৃতীয় ঃ চনাই কাৰ

**সাংস্কৃতিক বিভাগ প্ৰতিযোগিতাৰ ফলাফল**

**ক) গগনা বাদন**
প্ৰথম ঃ ৰশ্মি ৰেখা ফুকন
দ্বিতীয় ঃ কৃষ্টিনা গগৈ
তৃতীয় ঃ দিপাংকৰ লিকচন

**খ) জয়ন্ত সংগীত**
প্ৰথম ঃ কৃষ্টিনা গগৈ
দ্বিতীয় ঃ সাগৰিকা উৰংগিয়া
তৃতীয় ঃ প্ৰিন্সিপ্ৰিয়া নাথ
বিচাৰকৰ বিশষ বঁটা ঃ মনুৰাম গগৈ

**গ) বৰগীত**
প্ৰথম ঃ প্ৰিন্সিপ্ৰিয়া নাথ
দ্বিতীয় ঃ কৃষ্টিনা গগৈ

**ঘ) জ্যোতি সংগীত**
প্ৰথম ঃ প্ৰিন্সিপ্ৰিয়া নাথ
দ্বিতীয় ঃ কৃষ্টিনা গগৈ
তৃতীয় ঃ মাধৱজ্যোতি আৰান্ধৰা

**ঙ) মৰ্ডান সংগীত**
প্ৰথম ঃ প্ৰিন্সিপ্ৰিয়া নাথ
কৃষ্টিনা গগৈ
দ্বিতীয় ঃ সুভাম দেব
তৃতীয় ঃ দীপাংকৰ লিকচন
চুম্পি সোণোৱাল

**চ) ৰাভা সংগীত**
প্ৰথম ঃ মনালিশা নেওগ
দ্বিতীয় ঃ প্ৰিন্সিপ্ৰিয়া নাথ
তৃতীয় ঃ মধুস্মিতা লহৰ
চুম্পি সোণোৱাল

**ছ) ভূপেন্দ্ৰ সংগীত**
প্ৰথম ঃ প্ৰিন্সিপ্ৰিয়া নাথ
দ্বিতীয় ঃ মাধৱজ্যোতি আৰান্ধৰা
তৃতীয় ঃ কৃষ্টিনা গগৈ
সাগৰিকা উৰংগিয়া

**জ) সৃষ্টিমূলক নৃত্য**
প্ৰথম ঃ ৰশ্মি ৰেখা ফুকন
দ্বিতীয় ঃ প্ৰেৰনা মহন্ত
আস্থা বৈদ্য
তৃতীয় ঃ বলবীৰ সিং ৰাৱত
আকাংক্ষা তালুকদাৰ

**ঝ) ক্লাচিকেল নৃত্য**
প্ৰথম ঃ প্ৰেৰনা মহন্ত
দ্বিতীয় ঃ আকাংক্ষা তালুকদাৰ
তৃতীয় ঃ আস্থা বৈদ্য

**ঞ) দলীয় সংগীত**
প্ৰথম ঃ ৰসায়ন বিজ্ঞান বিভাগ
দ্বিতীয় ঃ ইতিহাস বিভাগ
উদ্ভিদ বিজ্ঞান বিভাগ
তৃতীয় ঃ অসমীয়া বিভাগ
বিচাৰকৰ বিশেষ বঁটা ঃ ৰাজনীতি বিজ্ঞান বিভাগ

**ট) দলীয় নৃত্য**
প্ৰথম ঃ উদ্ভিদ বিজ্ঞান বিভাগ
দ্বিতীয় ঃ ৰাজনীতি বিজ্ঞান বিভাগ
অসমীয়া বিভাগ
তৃতীয় ঃ অৰ্থনীতি বিভাগ
বাণিজ্য বিভাগ

**ঠ) একাংক নাট**
প্ৰথম ঃ সাধাৰণ পাঠ্যক্ৰম
দ্বিতীয় ঃ ইংৰাজী বিভাগ
তৃতীয় ঃ ৰাজনীতিবিজ্ঞান বিভাগ
শ্ৰেষ্ঠ অভিনেতা ঃ মৌচুম গগৈ
শ্ৰেষ্ঠ অভিনেত্ৰী ঃ ঋতিকা কৌশিক
বিচাৰকৰ বিশেষ বঁটা ঃ চন্দন শইকীয়া, সোণ তেলী

**ড) সাংস্কৃতিক শোভাযাত্ৰা**
প্ৰথম ঃ অসমীয়া বিভাগ
ইতিহাস বিভাগ
দ্বিতীয় ঃ সমাজতত্ব বিভাগ
অৰ্থনীতি বিভাগ
তৃতীয় ঃ বাণিজ্য বিভাগ
শিক্ষাতত্ব বিভাগ
ভূগোল বিভাগ
বিচাৰকৰ বিশেষ বটা ঃ উদ্ভিদ বিজ্ঞান বিভাগ
প্ৰাণীবিজ্ঞান বিভাগ

**বহিঃ খেল বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল**

**ক) ফুটবল (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ  ইতিহাস বিভাগ
দ্বিতীয় ঃ দূৰ শিক্ষা বিভাগ
**প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ** কপিল বৰুৱা
**শ্ৰেষ্ঠ গলৰক্ষক ঃ** সুজল ভট্টাচাৰ্জী
**খ) ক্ৰিকেট (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ  ৰসায়ন বিজ্ঞান বিভাগ
দ্বিতীয় ঃ বাণিজ্য বিভাগ
**গ) ক্ৰিকেট (ছোৱালী) প্ৰতিযোগিতা**
প্ৰথম ঃ বিজ্ঞান শাখা
দ্বিতীয় ঃ সমাজতত্ব বিভাগ
**ঘ) ৰছী টনা (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ ৰসায়ন বিজ্ঞান বিভাগ
দ্বিতীয় ঃ বাণিজ্য বিভাগ
**ঙ) ৰছী টনা (ছোৱালী) প্ৰতিযোগিতা**
প্ৰথম ঃ বাণিজ্য বিভাগ
দ্বিতীয় ঃ সমাজতত্ব বিভাগ
**চ) মাৰাথন দৌৰ (ল'ৰা) প্ৰতিযোগিতা**
পুৰুষ বিজয়ী ঃ আশিক নেৱাৰ
**ছ) মাৰাথন দৌৰ (ছোৱালী) প্ৰতিযোগিতা**
মহিলা বিজয়ী ঃ শেৰালি ভৰালি
**ক) ১০০ মিটাৰ দৌৰ (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ ৰনি দত্ত
দ্বিতীয় ঃ সত্যজিত গগৈ
তৃতীয় ঃ অচিন্ত শইকীয়া
**খ) ২০০ মিটাৰ দৌৰ (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ ৰনি দত্ত
দ্বিতীয় ঃ বিশ্বজিৎ দেওঘৰীয়া
তৃতীয় ঃ সত্যজিত গগৈ
**গ) ৪০০ মিটাৰ দৌৰ (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ বিশ্বজিৎ দেওঘৰীয়া
দ্বিতীয় ঃ অংকিত চৌহান
তৃতীয় ঃ আমন বৰা
**ঘ) ৮০০ মিটাৰ দৌৰ (ল'ৰা) প্ৰতিযোগিতায**
প্ৰথম ঃ অংকিত চৌহান
দ্বিতীয় ঃ দীপ্ৰজ বৰা
তৃতীয় ঃ মুনিন্দ্ৰ শইকীয়া
**ঙ) ১৬০০ মিটাৰ দৌৰ (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ দীপ্ৰজ বৰা
দ্বিতীয় ঃ আমান বৰা
তৃতীয় ঃ মুনিন্দ্ৰ শইকীয়া
**ঙ) ৩০০০ মিটাৰ দৌৰ (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ অংকিত চৌহান
দ্বিতীয় ঃ আমান বৰা
তৃতীয় ঃ দীপৰাজ বৰা
**ট) ১০০ মিটাৰ দৌৰ (ছোৱালী) প্ৰতিযোগিতা**
প্ৰথম ঃ সুস্মিতা শইকীয়া
দ্বিতীয় ঃ ময়ুৰী হাতীমুৰিয়া
তৃতীয় ঃ শেৰালি ভৰালি
**ঠ) ২০০ মিটাৰ দৌৰ (ছোৱালী) প্ৰতিযোগিতা**
প্ৰথম ঃ সুস্মিতা শইকীয়া
দ্বিতীয় ঃ ময়ুৰী হাতীমুৰিয়া
তৃতীয় ঃ শেৰালি ভৰালী
**ড) ৪০০ মিটাৰ দৌৰ (ছোৱালী) প্ৰতিযোগিতা**
প্ৰথম ঃ সুস্মিতা শইকীয়া
দ্বিতীয় ঃ ময়ুৰী হাতীমুৰীয়া
তৃতীয় ঃ শেৰালি ভৰালী
**ঢ) ৮০০ মিটাৰ দৌৰ (ছোৱালী) প্ৰতিযোগিতা**
প্ৰথম ঃ ময়ুৰী হাতীমুৰীয়া
দ্বিতীয় ঃ শেৰালি ভৰালী
তৃতীয় ঃ মিংমাৰ শ্বেৰপা
**ণ) ১৬০০ মিটাৰ দৌৰ (ছোৱালী) প্ৰতিযোগিতা**
প্ৰথম ঃ শেৰালি ভৰালী
দ্বিতীয় ঃ অনামিকা নাথ
**ঞ) ১০০×৪ মিটাৰ ৰিলে (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ বাণিজ্য বিভাগ
দ্বিতীয় ঃ ৰাজনীতিবিজ্ঞান বিভাগ
তৃতীয় ঃ শিক্ষা বিভাগ
**ন) ১০০×৪ মিটাৰ ৰিলে (ছোৱালী) প্ৰতিযোগিতা**
প্ৰথম ঃ ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় ঃ শিক্ষা বিভাগ
তৃতীয় ঃ অসমীয়া বিভাগ
**ঞ) ৪০০×৪ মিটাৰ ৰিলে (ল'ৰা) প্ৰতিযোগিতা**
প্ৰথম ঃ বাণিজ্য বিভাগ
দ্বিতীয় ঃ ৰাজনীতিবিজ্ঞান বিভাগ
তৃতীয় ঃ শিক্ষা বিভাগ

**ন) ৪০০×৪ মিটাৰ ৰিলে (ছোৱালী) প্ৰতিযোগিতা**

প্ৰথম ঃ ৰাজনীতিবিজ্ঞান বিভাগ

দ্বিতীয় ঃ শিক্ষা বিভাগ

তৃতীয় ঃ অসমীয়া বিভাগ

**ন) ৪০০×৪ মিটাৰ ৰিলে (ল'ৰা-ছোৱালী) প্ৰতিযোগিতা**

প্ৰথম ঃ ৰাজনীতিবিজ্ঞান বিভাগ

দ্বিতীয় ঃ বাণিজ্য বিভাগ

তৃতীয় ঃ শিক্ষা বিভাগ

**চ) শ্বটপুট্ (ল'ৰা) প্ৰতিযোগিতা**

প্ৰথম ঃ জৰ্জ টাই

দ্বিতীয় ঃ উমেশ শৰ্মা

তৃতীয় ঃ ৰিকিৰাজ গগৈ

**ছ) ডিচকাচ থ্ৰো (ল'ৰা) প্ৰতিযোগিতা**

প্ৰথম ঃ ৰিকিৰাজ গগৈ

দ্বিতীয় ঃ উমেশ শৰ্মা

তৃতীয় ঃ জৰ্জ টাই

**জ) জেভলীন থ্ৰো (ল'ৰা) প্ৰতিযোগিতা**

প্ৰথম ঃ সত্যজিত গগৈ

দ্বিতীয় ঃ ৰিকিৰাজ গগৈ

তৃতীয় ঃ উমেশ শৰ্মা

**ঝ) দীঘল জাঁপ (ল'ৰা) প্ৰতিযোগিতা**

প্ৰথম ঃ ৰনি দত্ত

দ্বিতীয় ঃ সত্যজিত গগৈ

তৃতীয় ঃ অবিনাশ শইকীয়া

**ত) শ্বটপুট্ (ছোৱালী) প্ৰতিযোগিতা**

প্ৰথম ঃ ৰিয়া থাপা

দ্বিতীয় ঃ ময়ুৰী হাতীমুৰিয়া

**ঝ) দীঘল জাঁপ (ছোৱালী) প্ৰতিযোগিতা**

প্ৰথম ঃ সুস্মিতা শইকীয়া

দ্বিতীয় ঃ ময়ুৰী হাতীমুৰিয়া

তৃতীয় ঃ শেৱালি ভৰালী

**শ্ৰেষ্ঠ পুৰুষ খেলুৱৈ ঃ ৰনি দত্ত**

**শ্ৰেষ্ঠ মহিলা খেলুৱৈ ঃ সুস্মিতা শইকীয়া**

## আন্তঃ ক্ৰীড়া বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

**ক) দলীয় বেডমিণ্টন (ছোৱালী) প্ৰতিযোগিতা**

প্ৰথম ঃ সতাব্দী বৰা, অংকিতা ফুকন

দ্বিতীয় ঃ নিবেদিতা বৰা, চয়নিক সোণোৱাল

**খ) দলীয় বেডমিণ্টন (ল'ৰা) প্ৰতিযোগিতা**

প্ৰথম ঃ দিপাংকৰ লিকচন, সুৰুজ গগৈ

দ্বিতীয় ঃ মোহিত গগৈ আৰু বৈভৱ বৰা

**গ) একক বেডমিণ্টন (ছোৱালী) প্ৰতিযোগিতা**

প্ৰথম ঃ সতাবদি ফুকন

দ্বিতীয় ঃ সুদেশনা ফুকন

**ঘ) একক বেডমিণ্টন (ল'ৰা) প্ৰতিযোগিতা**

প্ৰথম ঃ জৰ্জ টাই

দ্বিতীয় ঃ সুৰুজ গগৈ

**ঙ) ভলী বল (ল'ৰা) প্ৰতিযোগিতা**

প্ৰথম ঃ ৰসায়ন বিজ্ঞান বিভাগ

দ্বিতীয় ঃ বাণিজ্য বিভাগ

**চ) ভলীবল (ছোৱালী) প্ৰতিযোগিতা**

প্ৰথম ঃ বাণিজ্য বিভাগ

দ্বিতীয় ঃ অসমীয়া বিভাগ

**ছ) কাবাডী (ল'ৰা) প্ৰতিযোগিতা**

প্ৰথম ঃ বাণিজ্য বিভাগ

দ্বিতীয় ঃ সমাজবিজ্ঞান বিভাগ

**জ) ভলীবল (ছোৱালী) প্ৰতিযোগিতা**

প্ৰথম ঃ বাণিজ্য বিভাগ

দ্বিতীয় ঃ অসমীয়া বিভাগ

## সমাজ সেৱা বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

**শ্ৰেষ্ঠ সমাজকৰ্মী বঁটা**

ক) সমুদ্ৰ শইকীয়া

খ) তৃষ্ণা বৰা

গ) শেখৰজ্যোতি শইকীয়া

**ব্যায়ামাগাৰ বিভাগ প্ৰতিযোগিতাৰ ফলাফল**

**ক) শৰীৰ চৰ্চা প্ৰতিযোগিতা**

প্ৰথম ঃ কৰণ সোণোৱাল

দ্বিতীয় ঃ সাহিল গগৈ

তৃতীয় ঃ ৰোহন মাঝি

**খ) ভাৰোত্তোলন (ল'ৰা)**

প্ৰথম ঃ লখি গগৈ

দ্বিতীয় ঃ সাহিল গগৈ

তৃতীয় ঃ ৰহুল চাংমাই

শ্ৰেষ্ঠ লিফ্‌টাৰ ঃ লক্ষী গগৈ

**পাঞ্জা খেল (ল'ৰা) প্ৰতিযোগিতা**

**ক) ০ ৰ পৰা ৬০ কেজি**

প্ৰথম ঃ পাৰ্থ প্ৰতীম গগৈ

দ্বিতীয় ঃ প্ৰভাত সিং

তৃতীয় ঃ কৰণ সোণোৱাল

**খ) ৬০ ৰ পৰা ৭০ কেজি**

প্ৰথম ঃ অৰূপ কুমাৰ

দ্বিতীয় ঃ ৰাহুল চাংমাই

তৃতীয় ঃ দিবাকৰ দাস

**গ) ৭০ ৰ পৰা ৮০ কেজি**

প্ৰথম ঃ অমৃতজয় বুঢ়াগোহাঁই

দ্বিতীয় ঃ ৰূপজ্যোতি শইকীয়া

তৃতীয় ঃ ৰোহন সোণোৱাল

**ঘ) ৮০ কেজি**

প্ৰথম ঃ উমেশ শৰ্মা

দ্বিতীয় ঃ অম্লানজ্যোতি হাজৰিকা

তৃতীয় ঃ বেদান্ত দাস

Champion of champions -অমৃতজয় বুঢ়াগোহাঁই

**পাঞ্জা খেল (ছোৱালী) প্ৰতিযোগিতা**

**ক) ০ ৰ পৰা ৫০ কেজি**

প্ৰথম ঃ টুইংকোল ভেংৰা

দ্বিতীয় ঃ মিংমেন শ্বেৰপা

তৃতীয় ঃ ছনিয়া মলিক

**খ) ৫০ ৰ পৰা ৬০ কেজি**

প্ৰথম ঃ ৰিয়া থাপা

দ্বিতীয় ঃ জ্যোতি চেতিয়া

তৃতীয় ঃ শ্যামলি গগৈ

**গ) ৬০ কেজি**

প্ৰথম ঃ পূজা পঞ্চপতি শৰ্মা

দ্বিতীয় ঃ ঈপ্সিতা গগৈ

তৃতীয় ঃ নিহা সোণোৱাল

Champion of champions girl -ৰিয়া থাপা

**শক্তিত্তোলন (ল'ৰা) প্ৰতিযোগিতা**

**ঘ) ৫০ ৰ পৰা ৬০ কেজি**

প্ৰথম ঃ দীপক বাল্মিকি

দ্বিতীয় ঃ চাহিল গগৈ

তৃতীয় ঃ ৰোহন মাঝি

**ঙ) ৬০ ৰ পৰা ৭০ কেজি**

প্ৰথম ঃ কৰণ সোণোৱাল

দ্বিতীয় ঃ ৰহুল চাংমাই

তৃতীয় ঃ দিবাকৰ দাস

**চ) ৭০ কেজি**

প্ৰথম ঃ লখি গগৈ

দ্বিতীয় ঃ উমেশ শৰ্মা

তৃতীয় ঃ দৈস্তিক শইকীয়া

Best strong man ঃ দীপক বাল্মিকি

**শক্তিত্তোলন (ছোৱালী) প্ৰতিযোগিতা**

**ক) ৪৫ ৰ পৰা ৪৯ কেজি**

প্ৰথম ঃ সুস্মিতা শইকীয়া

দ্বিতীয় ঃ শেৱালি ভৰালী

তৃতীয় ঃ প্ৰিয়ংকা কুমাৰী

**খ) ৫০ ৰ পৰা ৫৫ কেজি**

প্ৰথম ঃ ৰিয়া থাপা

দ্বিতীয় ঃ অনামিকা নাথ

তৃতীয় ঃ ময়ুৰী হাতীমুৰিয়া

**গ) ৫৬ ৰ পৰা ৬০ কেজি**

প্ৰথম ঃ কৰিষ্মা বৰুৱা

দ্বিতীয় ঃ ঈপ্সিতা গগৈ

তৃতীয় ঃ ডেইজী বৰা

**ঘ) ৬৫ ৰ পৰা ৭০ কেজি**

প্ৰথম ঃ পূজা পঞ্চপতি শৰ্মা

দ্বিতীয় ঃ নিহা সোনোৱাল

তৃতীয় ঃ তনায়া মিছাং

Best strong women ঃ ৰিয়া থাপা

Mr.দুলীয়াজান ঃ কৰণ সোণোৱাল

**ছাত্ৰ জিৰণি কোঠা বিভাগ প্ৰতিযোগিতাৰ ফলাফল**

**ক) একক কেৰম**

প্ৰথম ঃ ৰঞ্জিত দেৱ ৰয়

দ্বিতীয় ঃ সঞ্জীৱ বৰুৱা

তৃতীয় ঃ শক্তি লিম্বু

**খ) দলীয়কেৰম**

প্ৰথম ঃ বিমল চেত্ৰী, ৰাজ জুগী

দ্বিতীয় ঃ সুৰজ পঞ্চপতি শৰ্মা, মণ্ডিপ দুৱাৰা

তৃতীয় ঃ সুৰজ ওৰাং, বিনয় চাৱাচি

**গ) দবা খেল**

প্ৰথম ঃ বাস্তৱ গগৈ

দ্বিতীয় ঃ মন্দ্বীপ গগৈ

তৃতীয় ঃ আচিফ চেখ

**ঘ) ক্ৰাফটিং**

প্ৰথম ঃ ৰেজুক পানিকা

**ঙ) মিঠা খাদ্য**

প্ৰথম ঃ ফিৰুজ ফাটুৱালী

**চ) টেকেলি ভঙা**

সুজল ভট্টাচাৰ্জী, দিবাংকৰ দাস

ত্ৰিদিপ পাণ্ডিপ

**ছ) সংগীত চকী**

প্ৰথম ঃ সংগীত কটকী

দ্বিতীয় ঃ ঋষি দাস

**জ) সাজপাৰ প্ৰতিযোগিতা**

Best talent ঃ বিশ্বজিৎ বৰুৱা

Best confidence ঃ ঋষি দাস

Mr. Photo genic ঃ অনিকেত চৌধুৰী

Best costume ঃ বিশ্বজিৎ বৰুৱা

Mr.duliajan ঃ বিশ্বজিৎ বৰুৱা

1st runner up ঃ ঋষি দাস

2nd runner up ঃ অনিশ দাস

**ছাত্ৰী জিৰণি কোঠা বিভাগ প্ৰতিযোগিতাৰ ফলাফল**

**ক) দবা খেল**

প্ৰথম ঃ শিখামনি গগৈ

দ্বিতীয় ঃ বৰষা শৰ্মা

তৃতীয় ঃ ইপ্সিতা গগৈ

**খ) টেকেলি ভঙা**

প্ৰথম ঃ বাৰ্বি বৰশইকীয়া

দ্বিতীয় ঃ ইক্ষা লিম্বু

তৃতীয় ঃ চুইতি শইকীয়া

**গ) সংগীত চকী**

প্ৰথম ঃ প্ৰিয়াক্ষী গগৈ

দ্বিতীয় ঃ আশামনি দত্ত

তৃতীয় ঃ দিপশিখা ঠেঙাল বড়ো

**ঘ) পিঠা-পনা আৰো sweet dish**

প্ৰথম ঃ আৰিফা চুলতানা লস্কৰ

দ্বিতীয় ঃ স্নেহা বসুমতাৰী

তৃতীয় ঃ কৃতিকা দত্ত, ইষা গুৰুং

**ঙ) ক্ৰাফটিং**

প্ৰথম ঃ দীপশিখা ৰাজকোঁৱৰ

দ্বিতীয় ঃ কাবেৰী গগৈ

তৃতীয় ঃ দেৱজনী শইকীয়া, বিনিতা চেত্ৰী

**চ) মেহেন্দি**

প্ৰথম ঃ বৃষ্টি ৰাণী সোণোৱাল

দ্বিতীয় ঃ চুৰেতা শৰ্মা

তৃতীয় ঃ মনালিশা বৰুৱা

**ছ) ৰংগুলী**

প্ৰথম ঃ দিয়া দাস, সুভমিত মজুমদাৰ

দ্বিতীয় ঃ প্ৰীতি বাল্মিকি, সোণাই কৌৰ

তৃতীয় ঃ ৰঞ্জিতা দাস, ৰুমি পল

**জ) আলপনা**

প্ৰথম ঃ অমৃতা ভৌমিক, সুৰবি দাস

দ্বিতীয় ঃ সঞ্জনা পল, কৃতিকা দাস

**ঝ) একক কেৰম**

প্ৰথম ঃ ৰিম্পী শৰ্মা

দ্বিতীয় ঃ টুইংকোল ভেংৰা

**ঞ) দলীয় কেৰম**

প্ৰথম ঃ মিংমাৰ শ্বেৰপা, টুইংকল ভেংৰা

দ্বিতীয় ঃ শিল্পীশিখা খনিকৰ, ৰিম্পী শৰ্মা

**ট) সাজপাৰ প্ৰতিযোগিতা**

শ্ৰেষ্ঠ ঃ আৰিফা চুলতানা লস্কৰ

1st runner up ঃ কুকি শইকীয়া

2nd runner up ঃ গুঞ্জনা সোণোৱাল

Best attitude ঃ কুকি শইকীয়া

Miss photogenic ঃ ৰূপশিখা বৰা

Best walk ঃ আৰিফা চুলতানা লস্কৰ

Best costume ঃ আৰিফা চুলতানা লস্কৰ

Best speaker ঃ দেৱযানি শইকীয়া

Perfect smile ঃ বৃষ্টি চেতিয়া

Best talent ঃ চুইতি শইকীয়া

Miss gorgeous ঃ নিশিতা হাজৰিকা

Miss confident ঃ গুঞ্জনা সোণোৱাল

# দুলীয়াজান মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী
# ‘অনুৰণন’ৰ সম্পাদকসকল

| | |
|---|---|
| ১৯৭৬—১৯৭৭ | অৰ্পণা শইকীয়া |
| ১৯৭৭—১৯৭৮ | অজিত কুমাৰ বৰা |
| ১৯৭৮—১৯৭৯ | বিপুল কুমাৰ গগৈ |
| ১৯৮০—১৯৮১ | (প্ৰকাশ পোৱা নাই) |
| ১৯৮২—১৯৮৩ | হিৰম্ব প্ৰসাদ নাহৰডেকা |
| ১৯৮৪—১৯৮৬ | দিগন্ত নিৰ্মলীয়া |
| ১৯৮৭—১৯৮৮ | অমূল্য কুমাৰ গগৈ |
| ১৯৮৮—১৯৮৯ | প্ৰদীপ সোণোৱাল |
| ১৯৮৯—১৯৯০ | অজিৎ শইকীয়া |
| ১৯৯০—১৯৯১ | আদিত্য গোস্বামী |
| ১৯৯১—১৯৯২ | দিপান্ত কুমাৰ গগৈ |
| ১৯৯২—১৯৯৩ | মনোজ কুমাৰ দত্ত |
| ১৯৯৪—১৯৯৫ | সত্যকাম বৰঠাকুৰ |
| ১৯৯৫—১৯৯৬ | ৰিপুঞ্জয় চাৰিঙ্গীয়া ফুকন |
| ১৯৯৬—১৯৯৭ | লোহিত দত্ত |
| ১৯৯৭—১৯৯৮ | ছত্ৰপতি নেওগ |
| ১৯৯৮—১৯৯৯ | বিশ্বজিৎ গগৈ |
| ১৯৯৯—২০০০ | অৰূপ মেছ |
| ২০০০—২০০১ | দিপাঙ্কৰ গগৈ |
| ২০০১—২০০২ | বিকাশ বৰদলৈ |
| ২০০২—২০০৩ | প্ৰকাশজ্যোতি চুতীয়া |
| ২০০৩—২০০৪ | গৌতম বড়া |
| ২০০৪—২০০৫ | ধ্ৰুৱজ্যোতি বৰুৱা |
| ২০০৫—২০০৬ | বিপুল কোঁৱৰ |
| ২০০৬—২০০৭ | ভাস্কৰজ্যোতি নলবৰীয়া |

| | |
|---|---|
| ২০০৭—২০০৮ | (প্ৰকাশ পোৱা নাই) |
| ২০০৮—২০০৯ | যদু গগৈ |
| ২০০৯—২০১০ | পুতুল বুঢ়াগোহাঁই |
| ২০১০—২০১১ | ঋতুপন বৰুৱা |
| ২০১১—২০১২ | ৰূপাঞ্জিত ৰাজগিৰি |
| ২০১২—২০১৩ | শোণিত গগৈ |
| ২০১৩—২০১৪ | ৰাজেশ ঠাকুৰ |
| ২০১৪—২০১৫ | ৰাজীৱ গগৈ |
| ২০১৫—২০১৬ | মৃদুপৱন বড়া (ভাৰপ্ৰাপ্ত) |
| ২০১৬—২০১৭ | (প্ৰকাশ পোৱা নাই) |
| ২০১৭—২০১৮ | দেৱজিৎ শইকীয়া |
| ২০১৮—২০১৯ | ববী বড়া |
| ২০১৯—২০২০ | সমীৰণ গগৈ |
| ২০২০—২০২১ | (ক’ভিড পৰিস্থিতিৰ বাবে প্ৰকাশ নহ’ল) |
| ২০২১—২০২২ | মানৱজ্যোতি দত্ত |
| **২০২২—২০২৩** | **ৰিতু বুঢ়াগোহাঁই** ('উৎস মাতৃভাষা' ই আয়োজন কৰা অসম ভিত্তিত মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত) |
| **২০২৩—২০২৪** | **কিৰণময়ী বড়া** (ডিব্ৰুগড় বিশ্ববিদ্যালয় যুৱ-মহোৎসৱৰ শ্ৰেষ্ঠ আলোচনী বঁটা প্ৰাপ্ত) |
| **২০২৪—২০২৫** | **জোনমণি বড়ো** (ডিব্ৰুগড় বিশ্ববিদ্যালয় যুৱ-মহোৎসৱৰ তৃতীয় শ্ৰেষ্ঠ অংগসজ্জা বঁটা প্ৰাপ্ত) |

# লেখক-লেখিকা আৰু শিল্পীৰ পৰিচিতি

**মণিষা চেতিয়া**, দ্বিতীয় যাণ্মাসিক, ৰাজনীতিবিজ্ঞান বিভাগ

**উদয় গগৈ**, ষষ্ঠ যাণ্মাসিক, ইতিহাস বিভাগ

**ভাৰ্গৱ দৈমাৰী**, তৃতীয় যাণ্মাসিক, সমাজতত্ব বিভাগ

**বিতুপন বাগলাৰী**, তৃতীয় যাণ্মাসিক, সমাজতত্ব বিভাগ

**গোপী তামুলী**, প্ৰাক্তন অধ্যক্ষ

**বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই**, বিশিষ্ট কবি

**পূৰ্ণিমা দেৱী বৰ্মন**, বিশিষ্ট পৰিৱেশ কৰ্মী

**পুষ্পাঞ্জলি গগৈ**, তৃতীয় যাণ্মাসিক, ইতিহাস বিভাগ

**দেৱাঞ্জন বৰঠাকুৰ**, বিশিষ্ট লেখক

**অভিজিৎ সাহা**, মুৰব্বী অধ্যাপক, বাংলা বিভাগ

**বিতু বুঢ়াগোহাঁই**, প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ

**ত্ৰিদীপ লহকৰ**, প্ৰাক্তন ছাত্ৰ, তেজপুৰ বিশ্ববিদ্যালয়

**অৰ্চনা সোণোৱাল**, তৃতীয় যাণ্মাসিক, ইতিহাস বিভাগ

**পলাশ সন্দিকৈ**, পঞ্চম যাণ্মাসিক, ইতিহাস বিভাগ

**Rethika kawshik**, 4th semester, Department of Political Science

**পাৰ্থ প্ৰতিম গগৈ**, পঞ্চম যাণ্মাসিক, ৰাজনীতিবিজ্ঞান বিভাগ

**দেৱৰাজ বুঢ়াগোহাঁই**, পৰিৱেশ্য কলা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়

**Rituporna Borah**, 4th semester, Department of Economocs

**কিৰণময়ী বড়া**, প্ৰাক্তন ছাত্ৰী, শিক্ষাতত্ব বিভাগ

**হিৰণ্য কুমাৰ গগৈ**, প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ

**ড° হেমন্ত দাস**, মুৰব্বী অধ্যাপক, সমাজতত্ব বিভাগ

**ড° পঞ্চানন হাজৰিকা**, বিশিষ্ট গল্পকাৰ

**শেৱালি শৰ্মা**, প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ

**বন্তি দত্ত**, প্ৰাক্তন ছাত্ৰী, অৰ্থনীতিবিজ্ঞান বিভাগ

**Priya Khanikar**, 4th semester, Department of Economocs

**Manisha Kumari Gupta**, 6th semester, Department of Economocs

**Kuki Saikia**, 4th semester, Department of Geography

**দিপশিখা ৰাজকোঁৱৰ**, প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ

**ৰাজু বেজবৰুৱা**, চতুৰ্থ যাণ্মাসিক, শিক্ষাতত্ব বিভাগ

**মনালিছা নেওগ**, চতুৰ্থ ষাণ্মাসিক, ৰাজনীতিবিজ্ঞান বিভাগ

**কৰিশ্মা বৰুৱা**, ষষ্ঠ ষাণ্মাসিক, ইতিহাস বিভাগ

**দৃষ্টি মুখাৰ্জী**, ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

**লাকী গগৈ**, ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

**বিনীতা গোৱালা**, চতুৰ্থ ষাণ্মাসিক, ইতিহাস বিভাগ

**Sandhya Chetry**, 6th semester, Department of Economocs

**রঞ্জিতা দাস**, ষষ্ঠ ষাণ্মাসিক,বাংলা বিভাগ

**पूजा राय**, 6th semester, Department of Hindi

**प्रिती कुमारी शाह**, 6th semester, Department of Hindi

**Jyotimoyee Talukdar**, 6th semester, Department of English

**ড° নীলিমা গগৈ**, মুৰব্বী অধ্যাপক, পদাৰ্থবিজ্ঞান বিভাগ

**ইমন ভূঞা**, দ্বিতীয় ষাণ্মাসিক, অৰ্থনীতিবিজ্ঞান বিভাগ

**দেৱজিৎ চাংমাই,** বিশিষ্ট শব্দ অভিযন্তা

**ড° দীনেশ চন্দ্ৰ গোস্বামী**, বিশিষ্ট লেখক

**শীতল দাস**, ষষ্ঠ ষাণ্মাসিক, ইতিহাস বিভাগ

**যোগানন সোণোৱাল**, ষষ্ঠ ষাণ্মাসিক, ইতিহাস বিভাগ

**নিৰজ কমল দাস**, ষষ্ঠ ষাণ্মাসিক, ইতিহাস বিভাগ

**অজয় ভূমিজ**, ষষ্ঠ ষাণ্মাসিক, ইতিহাস বিভাগ

**জোনমণি বড়ো**, চতুৰ্থ ষাণ্মাসিক, ৰাজনীতিবিজ্ঞান বিভাগ

**মঞ্জিৎ কাশ্যপ,** বিশিষ্ট চিত্ৰ-ভাস্কয্য শিল্পী, শিক্ষক, সাংস্কৃতিক কৰ্মী

**দিপশিখা ৰাজকোঁৱৰ**, ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

**ববী বড়া**, প্ৰাক্তন ছাত্ৰী, শিক্ষাতত্ত্ব বিভাগ

**ড° দয়ানন্দ নাথ**, অধ্যাপক, বাণিজ্য বিভাগ

**ভাৰ্গৱী কোঁৱৰ**, চতুৰ্থ ষাণ্মাসিক, ৰসায়নবিজ্ঞান বিভাগ

**ববীতা দত্ত**, চতুৰ্থ ষাণ্মাসিক, ৰাজনীতিবিজ্ঞান বিভাগ

**গুলাইনা কোঁৱৰ**, ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

**প্ৰিয়ংকা খনিক**ৰ, চতুৰ্থ ষাণ্মাসিক, ইংৰাজী বিভাগ

**Amisha Singh**, 2nd semester, Department of Psychology

**প্ৰিয়াংশু ভদ্ৰ**, প্ৰাক্তন ছাত্ৰী, শিক্ষাতত্ত্ব বিভাগ

**ৰক্ষা সাহা**, চতুৰ্থ ষাণ্মাসিক, ৰাজনীতিবিজ্ঞান বিভাগ

**অনিৰুদ্ধ চেতিয়া**, চতুৰ্থ ষাণ্মাসিক, ৰাজনীতিবিজ্ঞান বিভাগ